জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ১৫৮/২০২০

# ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত হোজাই আৰু নগাঁও জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত সামাজিক দূৰত্ব বজাই ৰখাটোৱে মূল অস্ত্ৰ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ এপ্ৰিলঃ** ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি হোজাইৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক বৈঠকত মিলিত হয়। বৈঠকত জিলা উপায়ুক্ত গৰাকীয়ে ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে লোৱা ব্যৱস্থাৱলীৰ লগতে লক ডাউনৰ কাৰ্যসূচী সফল ৰূপত পালন কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বিষয়ে মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে ২১ দিনীয়া যি লক ডাউনৰ কাৰ্যসূচী পালনৰ বাবে জনগণক আহ্বান জনাইছিল তাক সফল ৰূপ দিয়াৰ বাবে জিলা প্ৰশাসনকে ধৰি সকলো বিভাগে নিষ্ঠাৰে নিয়োজিত হৈ আহিছে। মুখ্যমন্ত্ৰীয়ে জৰুৰী সেৱা আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান সুনিশ্চিত কৰাৰ বাবে প্ৰশাসনে দৃঢ়তাৰে পদক্ষেপ ল'ব লাগিব বুলি কয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰতিটো বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহ পৰ্যালোচনা কৰে। আজিৰ এই পৰ্যালোচনামূলক বৈঠকত বিধায়ক শিলাদিত্য দেৱ, বিমল বৰা, উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু অন্যান্য বিভাগ সমূহৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত আছিল।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত অংশ লৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ক'ৰণা ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিবৰ বাবে অসমৰ ৰাইজে ঐক্যবদ্ধভাৱে দৃঢ়তা প্ৰদৰ্শন কৰিছে। এই ২১ দিনীয়া লক ডাউন কাৰ্যসূচী সফল কৰাৰ মানসিকতাৰে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা জনসাধাৰণে শৃংখলাবদ্ধভাৱে নিজৰ ঘৰৰ ভিতৰত নিজকে আবদ্ধ ৰাখি পৰিষ্কাৰ কৈ থকাৰ যি উদাহৰণ দাঙি ধৰিছে। তাৰ ফলত আমাৰ সমাজখনত ক'ৰণা ভাইৰাছৰ সংক্ৰমণৰ বিৰুদ্ধে সৰলভাৱে যুঁজ দিয়াৰ এটি পৰিৱেশ ৰচনা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষৰ এশ ত্ৰিশ কোটি জনগণক সামাজিক দূৰত্ব বৰ্তাই ৰাখি ২১ দিনীয়া লক ডাউন কাৰ্যসূচী পালন কৰাৰ বাবে যি আহ্বান জনাইছিল সেই আহ্বানৰ প্ৰতি সঁহাৰি জনোৱাৰ বাবে আজি ভাৰতবৰ্ষৰ কোটি কোটি জনসাধাৰণ সুৰক্ষিত হৈ আছে। মুখ্যমন্ত্ৰীয়ে অহা ১৪ এপ্ৰিললৈ লক ডাউন কাৰ্যসূচী সফলভাৱে পালন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে এই কাৰ্যসূচী সফলতাৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত সাংবাদিকসকলেও যথেষ্ট কষ্ট কৰিছে। সমাজত ৰাইজৰ মাজত সচেতনতা, সজাগতা আৰু সতৰ্কতা বৃদ্ধি কৰাৰ কামত সাংবাদিকসকলে যথেষ্ট অৰিহণা যোগাইছে। আমাৰ ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ চিকিৎসক, নাৰ্চ, আশা কৰ্মীসকল, এম পি ডাব্লিউ কৰ্মকৰ্তা, লেবৰেটৰী টেকনিচিয়ান, ৱাৰ্ড বয়, চাফাই কৰ্মী আৰু এম্বুলেঞ্চৰ চালক সকলে দিনে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নিশাই সেৱা আগবঢ়াই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষী বিভাগ, যোগান বিভাগ, শক্তি বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, পৰিবহন বিভাগৰ কৰ্মকৰ্তাসকলে নিষ্ঠাৰে নিয়োজিত হৈ দৃঢ়তা দেখুৱাইছে। আমাৰ ৰাজ্যখনৰ কেইবাগৰাকী ব্যক্তি ক'ৰণা ভাইৰাছত আক্ৰান্ত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণে শংকিত হোৱাৰ কোনো কাৰণ নাই। স্বাস্থ্য বিভাগে উন্নত মানদণ্ডৰ চিকিৎসাৰ জৰিয়তে তেওঁলোকক সুস্থ কৰাৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰি আছে। মুখ্যমন্ত্ৰীয়ে কয় যে সামাজিক দূৰত্ব বজাই ৰাখি ঘৰৰৰ ভিতৰত আবদ্ধ হৈ থাকিলে আমি ক'ৰণা ভাইৰাছ সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ সমৰ্থ হ'ম। মুখ্যমন্ত্ৰীয়ে কয় যে হোজাই জিলা প্ৰশাসনে উন্নত মানদণ্ডৰ সেৱা আগবঢ়োৱাৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। বিধায়কসকলেও এই দিশত দিনে-নিশাই কাম কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নগাঁৰৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে চিকিৎসালয়খনৰ আছুতীয়া কক্ষকে ধৰি বিভিন্ন ব্যৱস্থাৰাজি পৰিদৰ্শন কৰে।

নগাঁও আৰৰ্ত ভৱনৰ সভা কক্ষত অনুষ্ঠিত এক বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপ সমূহ পৰ্যালোচনা কৰে। জিলাখনত জনসাধাৰণক অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰাৰ বাবে মজুত থকা খাদ্যৰ পৰিমাণৰ বিষয়টোও পৰ্যালোচনা কৰে। জনসাধাৰণক উন্নত মানদণ্ডৰ সামগ্ৰী যোগান ধৰাৰ উপৰিও কোনোধৰণৰ যাতে মূল্যবৃদ্ধি হ'ব নোৱাৰে সেই দিশত তীক্ষ্ণ নজৰ ৰাখিবলৈ খাদ্য আৰু অসামৰিক যোগান বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বিদ্যুৎ যোগান নিয়মীয়াকৈ ৰাখিবলৈও এপিডিচিএলৰ বিষয়াবৰ্গক নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিধায়কসকল ক্ৰমে ৰূপক শৰ্মা, ডিম্বেশ্বৰ দাস, বিমল বৰা, উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু অন্যান্য বিভাগৰ জিলা পৰ্যায়ৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ৰণা ভাইৰাছ সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত সামাজিক দূৰত্ব বজাই ৰখাটোৱে মূল অস্ত্ৰ। লক ডাউন কাৰ্যসূচী সম্পূৰ্ণৰূপে সফল কৰাৰ বাবে আমি সকলোৱে মাৰ বান্ধি থিয় হ'ব লাগিব। প্ৰধানমন্ত্ৰীয়ে ক'ৰণা ভাইৰাছৰ অন্ধকাৰৰ পৰা পোহৰলৈ যাবলৈ যি পথ দেখুৱাইছে তাক আমি সফল কৰি তুলিব লাগিব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

**সংকঃ / পুঃডেঃ / বীঃগঃ**
**৬/৪/২০২০**